Printed Pages—2

**3 (Sem–6) ASM M 5**

**2015**

ASSAMESE

( Major )

Paper : 6.5

**( ছন্দ আৰু অলংকাৰ )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ছন্দৰ মূল কথা কি?

(খ) যতি বুলিলে কি বুজা?

(গ) 'উপমেয়'ৰ অৰ্থ কি?

(ঘ) অক্ষৰ বুলিলে কি বুজা?

(ঙ) 'অলম্' শব্দৰ অৰ্থ দুটা কি কি?

(চ) 'কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ' এইটো কাৰ মন্তব্য?

(ছ) "তাজ তুমি ৰঙা তেজ
বিৰহীৰ অন্তৰৰ গোট মাৰি শিলা হোৱা
মৰ্মভেদী ব্যথা।"

ইয়াত কি অলংকাৰৰ প্ৰয়োগ হৈছে?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) পাদ বা চৰণ সম্পৰ্কে কি জানা, লিখা।

(খ) অন্ত্যমিল বুলিলে কি বুজা?

(গ) ৰুষ্যকে অৰ্থালংকাৰক কেইটা ভাগত ভাগ কৰিছে? ভাগকেইটা কি কি?

(ঘ) সংস্কৃত আলংকাৰিকসকলে অনুপ্ৰাসক কেইটা ভাগত ভাগ কৰিছে, লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

দুলড়ী, লেছাৰী, ঝুনা, বক্ৰোক্তি, ৰূপক, শ্লেষ।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে আলোচনা কৰা।

(খ) সমবৃত্ত, অৰ্ধসমবৃত্ত আৰু বিষমবৃত্ত ছন্দৰ বিষয়ে উদাহৰণ দি বুজাই লিখা।

(গ) মুক্তক ছন্দৰ মূল কি? মুক্তক ছন্দৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি অসমীয়া কবিতাত ইয়াৰ প্ৰয়োগ সম্পৰ্কে লিখা।

(ঘ) বিভিন্ন আলংকাৰিকৰ অভিমতৰ আধাৰত 'অলংকাৰ' শব্দটিৰ অৰ্থ ব্যাখ্যা কৰা।

(ঙ) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(চ) 'কাব্যত অলংকাৰৰ স্থান' মুখ্য নে গৌণ? এই বিষয়ে বহলাই লিখা।

★ ★ ★